# মোদীৰ সভাই জনসাধাৰণৰ মিজাজ বন্দী কৰিছে

**দিনাংক- ১০ ফেব্ৰুৱাৰী ২০১৪**

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

বিগত সপ্তাহৰ শেষ দিনবোৰ নৰেন্দ্ৰ মোদী আৰু বি জে পি ৰ বাবে যথেষ্ট ব্যস্তপূৰ্ণ আছিল । শনিবাৰৰ দিনা তেওঁ ইম্ফল, গুৱাহাটী আৰু শেষত চেন্নাইৰ জনগণক সম্বোধন কৰে । ৰবিবাৰৰ দিনা তেওঁ প্ৰথমে চেন্নাই শিক্ষা কেন্দ্ৰত অংশগ্ৰহণ কৰাৰ পাছত, কোচী আৰু ত্ৰিৱান্দপুৰমৰ অনুষ্ঠানক সম্বোধন কৰে ।

ৰাজহুৱা সভাৰ মুখ্য আকৰ্ষণ হৈছে নৰেন্দ্ৰ মোদীক জনগণৰ বিপুল সহাঁৰি । ইম্ফল সভাক লৈ ধাৰণা কৰা হৈছে যে মণিপুৰৰ এইয়া এক বৃহৎ ৰাজনৈতিক সভা আছিল । মণিপুৰত বি জে পি ৰ সবল সংগঠন নাই, তথাপিও মোদীৰ সভাত ইমান লোকৰ সমাবেশে বৰ্ত্তমান মনোস্থিতি প্ৰকাশ কৰিছে । লগতে তেওঁ গুৱাহাটী, চেন্নাই আৰু শেষত কেৰেলাত বৃহৎ জনগণক আকৰ্ষিত কৰিব'লৈ সক্ষম হৈছে । তেওঁৰ অন্য অনুষ্ঠানসমূহে জাতি আৰু ধৰ্মৰ ভেদা-ভেদ নোহোৰা কৰিব'লৈ সক্ষম হৈছে । পূৰ্বতে নূন্যতম সমৰ্থন দিয়া সমূদায় সকলেও তেওঁক এতিয়া নিজৰ অনুষ্ঠানত নিমন্ত্ৰিত কৰে । তেওঁলোকৰ প্ৰতিক্ৰিয়াও যথেষ্ট অবিচাৰ্য্য হৈছে ।

বৰ্ত্তমান কংগ্ৰেছৰ পৰা সকলোৰে মোহভংগ হৈছে । জনতাই আস্থা হেৰুৱাইছে । তেওঁলোকৰ আশা মোদীয়ে সম্পূৰ্ণ কৰিব পাৰিব নে । জনগণে এতিয়া আশাবাদী আৰু সিদ্ধান্ত লোৱা নেতৃত্ব বিচাৰিছে । সত্তাৰ মানদণ্ডৰ পুনঃ নিৰ্ধাৰণ কৰিব বিচাৰে নেকি ? মূল্যবৃদ্ধি, নিবনুৱা সমস্যা আৰু অৰ্থনীতিক তেওঁলোকে অস্থিৰ কৰি পেলাইছে । সেইবাবে বুজিব পৰা যায় যে, দেশৰ উত্তৰ, মধ্য আৰু পশ্চিম প্ৰান্ত, য'ত বি জে পি ৰ স্থিতি শক্তিশালী, মোদীয়ে জনগণৰ বৃহৎ সমাবেশ কৰোৱাত সক্ষম হৈছে । য'ত বি জে পি শক্তি সবল নহয় তাত এনে অভাৱনীয় প্ৰতিক্ৰিয়াই কি বুজাব ? উত্তৰ পূৱ, প্শ্চিমবংগ, অন্ধ্ৰপ্ৰদেশ, তামিলনাডু আৰু কেৰেলাত মোদীয়ে অংশগ্ৰহণ কৰা সভাত যথেষ্ট লোকৰ সমাগম কৰোৱাইছে আৰু জনগণৰ প্ৰতিক্ৰিয়াও বহুত উৎ সাহজনক । এনে প্ৰতিক্ৰিয়াৰ অৰ্থ আন কিবা আছে নেকি ?

সচাঁকৈয়ে এনে বৃহৎ সভা এই ধৰণৰ হয়নে ? অথবা এইয়া ডাঙৰ কিবা হোৱাৰ আগজাননী । ইয়াৰ আৰঁত খঙ আৰু আশা দুয়োটাই আছে । বৰ্ত্তমান পৰিস্থিতিক লৈ জণগণৰ ক্ষোভ আছে । মোদীয়ে এই সলনি আনিব পাৰিব আৰু আশা কৰা হয় যে এই সলনি ভালৰ বাবে হ'ব । মোদীৰ আৰঁত থকা ৰাজনৈতিক সহযোগিতাৰ দায়িত্ব এইয়াই যে এই নিৰ্বাচনৰ ফলাফল মোদীৰ হকে আনক । যদি এইয়া কৰিব পাৰে তেন্তে মোদীয়েও বহুত আসন লাভ কৰোৱাব পাৰিব । বহুত ৰাজ্যত, সমাজৰ বিভিন্ন খণ্ডৰ সহযোগিতা বি জে পি ৰ দ'লৰ শক্তিতকৈও অধিক । এই সকলো অঞ্চলৰ পৰা আমি ভাল ফলাফল পাবলৈ গৈ আছো নেকি ?